بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ জানুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**মেহেদীয়াবাদ বৰকিনা ফাছোত ন জন আহমদীৰ মৰ্মান্তিক শ্বাহাদতৰ বেদনাদায়ক ঘটনা সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা বাকাৰাৰ ১৫৫ আৰু ১৫৬ নম্বৰ আয়াত পাঠ কৰে। হুজুৰ আনোৱাৰ এই দুটা আয়াতৰ আলোকত কয় যে আল্লাহৰ ৰাস্তাত প্ৰাণ বিসৰ্জন দিওঁতা সকলৰ নিমিত্তে- এয়া হ'ল আল্লাহ তা'লাৰ বাণী যে তেওঁলোক মৃত নহয় বৰং জীৱিতহে। জামাতে আহমদীয়াৰ ফালৰ পৰা যোৱা এশ বছৰ ধৰি আল্লাহ তা'লাৰ বাটত প্ৰাণ বিসৰ্জন (কোৰবাণী) দি অহা হৈছে। সেই শ্বহীদ সকলে যি মৰ্যদাৰ স্থান লাভ কৰিছে আৰু যেনেকৈ তেওঁলোকৰ মৰ্যদা দিনক দিনে বাঢ়ি গৈ আছে ; ঠিক সেইদৰে জগততও চিৰযুগমীয়াকৈ তেওঁলোকৰ নাম জিলিকি থাকিব। আল্লাহ তা'লাৰ নিৰ্দিষ্ট বাটত তেওঁলোকৰ প্ৰাণ বিসৰ্জন দিয়াটো কেৱল তেওঁলোকৰ বাবেই নহয় বৰং জীৱন আৰু উন্নতিৰ উপায়; উপাচাৰ হিচাপে কাম কৰিব। গতিকে তেওঁলোকক (শ্বহীদ সকলক) মৃত কেনেকৈ ক'ব পৰা যাব।

জামাতে আহমদীয়াৰ মাজত এনকুৱা প্ৰাণ বিসৰ্জনৰ ঘটনা হজৰত মছীহ মাওউদ (আ:)ৰ জীৱন কালত সংঘটিত হোৱা হজৰত চাহাবজাদা ছৈয়দ আব্দুল লতিফ চাহাব মৰহুমৰ শ্বহীদৰ ঘটনাৰ পৰা আৰম্ভ হৈছে। প্ৰথম অৱস্থাত এই প্ৰাণ বিসৰ্জনৰ ঘটনা আফগানিস্তান আৰু বৰছোগিৰৰ আহমদী সকলৰ মাজতে সীমাবদ্ধ আছিল। ২০০৫ চনত আফ্ৰিকাৰ এখন দেশ কাঙ্গোত এজন আহমদীয়ে একমাত্ৰ জামাতভুক্ত হোৱাৰ বাবেই প্ৰাণ দিব লগা হৈছিল। কিন্তু যোৱা কিছুদিন আগত বৰকিনাফাছোত (প্ৰেম,আনুগত্য, ঈমান আৰু বিশ্বাসত ভৰপুৰ) যি দৃষ্টান্ত আফ্ৰিকান আহমদী সকলে দেখুৱাইছে সেয়া দৃষ্টান্ত বিহীন ঘটনা। তেওঁলোকক এই সুযোগও দিয়া হৈছিল যে তোমালোকে হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতাক অস্বীকাৰ কৰিলে তোমালোকৰ প্ৰাণ বচোৱা হ'ব। কিন্তু তেওঁলোকে যিসকলৰ ঈমান পাহাৰৰ নিচিনা অলৰ-অচৰ আৰু মজবুত আছিল; উত্তৰ দিছিল যে প্ৰাণ নিশ্চয় এদিন গুচিয়ে যাব; সেয়া আজি নহয় কালি। গতিকে তাক বচাবলৈ আমি নিজৰ ঈমানৰ বাজি লগাব নোৱাৰো।

যি সত্যক আমি দেখিবলৈ পাইছো সেয়া আমি এৰিব নোৱাৰো; এনেদৰে তেওঁলোকে এজনৰ পিছত এজনকৈ নিজৰ প্ৰাণৰ বলিদান দি গৈছে। এই দৃশ্য তেওঁলোকৰ পৰিয়াল বৰ্গই অৱলোকন কৰিছিল কিন্তু কোনেও কোনো ধৰণৰ হতাশ হোৱা নাছিল।

এইসকল লোকেই হজৰত মছীহ মাওউদ (আঃ)ৰ যুগত সংঘটিত হোৱা চাহাবজাদা আব্দুল লতিফ চাহাবৰ শ্বহীদৰ ঘটনাৰ পিছত বিশ্বব্যাপী আহমদীয়তৰ মাজত কোৰবাণীৰ এক নতুন ইতিহাস ৰচনা কৰিলে।

এওঁলোকে নিজৰ জাগতিক জীৱনটো কোৰবাণী দি অমৰ জীৱন লাভ কৰোঁতা হ'ল। তেওঁলোকে প্ৰাণ,ধন-মাল আৰু সময়ৰ কোৰবাণী দিয়াৰ যি শপত লৈছিল সেয়া এনেদৰে পূৰ্ণ কৰিলে যে পিছত আহি আগতে অহা জনক চেৰ পেলাই গ'ল। আল্লাহ তা'লা তেওঁলোকক সেই সুসংবাদৰ অংশীদাৰ বনাওক, যি সংবাদ আল্লাহ তা'লাই তাৰ নিজৰ বাটত কোৰবাণী কৰোঁতা সকললৈ প্ৰেৰণ কৰিছে।

বিৱৰণী অনুযায়ী বৰকিনাফাছোত ডুৰি নামক এখন চহৰ আছে তাতে মেহেদীয়াবাদ নামাৰে এখন বসতি নতুনকৈ বসতি কৰিবলৈ লৈছে। ২০২৩ চনৰ ১১ জানুৱাৰীৰ নিশা ঈশাৰ নামাজৰ সময়ত ন জন মান আহমদী বুজুৰ্গক মছজিদৰ পদুলিমূখত অন্যান্য নামাজী সকলৰ সন্মুখত ইছলাম আৰু আহমদীয়তক অস্বীকাৰ নকৰাৰ কাৰণে এজন এজনকৈ শ্বহীদ কৰি দিয়া হৈছে। আঠ জনমান অস্ত্ৰধাৰী লোক আহি প্ৰথমে ওৱাহাবী সকলৰ মছজিদত সোমায় আৰু তাতে মাগৰিবৰ পৰা ঈশাৰ নামাজৰ সময়লৈকে অৱস্থান কৰে যদিও তাত কোনো ধৰণৰ ক্ষতি সাধন নকৰে। ইয়াৰ পিছত সেই অস্ত্ৰধাৰী লোক কেইজন আহি আহমদীয়া মছজিদত উপস্থিত হয় তেতিয়া মছজিদত আজান চলি আছিল। আজানৰ পিছত মোৱাজ্জিনৰ হতুৱাই ঘোষণা কৰোৱাইছিল যে সকলোৱে অতি সোনকালে মছজিদলৈ আহিব লাগে আৰু লগে লগেই কিছুমান লোকে আহি আহমদীয়া মছজিদৰ দুৱাৰডলিত উপস্থিত হয়। তেতিয়া অস্ত্ৰধাৰী লোক কেইজনৰ পৰা কয় যে আমাৰ কিছু কথা ক'বলৈ আছে। সিহঁতে জামাতে আহমদীয়াৰ বিশ্বাস (আকিদা) সম্পৰ্কে ইমাম আলহাজ ইব্ৰাহিম চাহাবক নানা প্ৰশ্ন কৰে। তেতিয়া ইমাম চাহাবে কৈছিল যে আমি মুছলমান হওঁ আৰু আঁহজৰত (ছাঃ)ক মান্য কৰোঁতা হওঁ। আহমদীয়া মুছলিম জামাতৰ সৈতে আমাৰ সম্পৰ্ক আছে; হজৰত ঈছা (আঃ)ৰ মৃত্যু হৈছে আৰু হজৰত ইমাম মাহদী (আঃ) ইমাম মাহদী হয়।

তেতিয়া সেই আতংকবাদী সকলে কয় যে এই আহমদী সকল সম্পূৰ্ণৰূপে কাফিৰ হয়। আকৌ সেই আতংবাদী সকলে ভয়ানক পৰিস্থিতিৰ মাজত হজৰত মছীহ মাওউদ (আঃ) আৰু খোলাফা সকলৰ ফটো সম্পৰ্কে জেৰা কৰে। ইমাম চাহাবে প্ৰত্যেকখন ফটোৰ পৰিচয় কৰাই দিয়ে। আতংকবাদী সকলে কয় যে মছীহ মাওউদ (আঃ)ৰ দাবী (নাউজুবিল্লাহ)মিছা হয়। ইয়াৰ পিছত তেওঁলোকে মছজিদত উপস্থিত থকা প্ৰায় সত্তৰ জন নামাজীক বয়স হিচাপে ল'ৰা,ডেকা,বুঢ়া সকলৰ পৃথক পৃথক গ্ৰুপ বনাই থিয় কৰোৱায়। তাতে দহ, বাৰ জনী মহিলাও উপস্থিত আছিল।বয়সীয়াল লোক সকলক তেওঁলোকে মছজিদৰ দুৱাৰডলিত আহিবলৈ আদেশ দিয়ে,তাতে এজন অক্ষম ব্যক্তিও আছিল তাক আহিবলৈ মানা কৰে যে তুমি কোনো কামৰ লোক নহয়, তুমি ভিতৰতে থাকা। বাকী লোক সকলক মছজিদৰ সন্মুখত থকা খালি ঠাই খিনিলৈ লৈ আনে আৰু ইমাম চাহাবক কয় যে যদি তোমালোকে আহমদীয়ত এৰি দিয়া তেন্তে তোমালোকৰ প্ৰাণ ভিক্ষা দিয়া হ'ব। তাতে ইমাম চাহাবে উত্তৰ দিছিল যে যদি মোৰ মূৰ কাটি পেলোৱা তথাপি মই আহমদীয়ত এৰি নিদিও। উগ্ৰপন্থী সকলে ইমাম চাহাবক মাটিত বগৰাই ডিঙিত ছুৰী বহুৱাই জবাই কৰিবলৈ চেষ্টা কৰোঁতেই ইমাম চাহাবে কৈছিল যে মোক থিয় কৰাই মাৰি পেলোৱা লগে লগে উগ্ৰপন্থী সকলে তেখেতক থিয় কৰাই গুলিয়াই শ্বহীদ কৰি দিয়ে।

এই ঘটনা ঘটাই উগ্ৰপন্থী সকলে ভাৱিছিল যে এতিয়া কিজানি বাকীবিলাক ভয়তে তেওঁলোকৰ কথা মানি ল'ব; আৰু আন এজন বুজুৰ্গক মাতি আনি কয় যে আহমদীয়ত এৰি দিবা নে এনেদৰে মৰিবা। তেতিয়া বুজুৰ্গজনে উত্তৰ দিছিল যে মই আহমদীয়ত এৰিব নোৱাৰো, উত্তৰ শুনি আতংকবাদী সকলে তৎক্ষণাত বুজুৰ্গজনৰ মূৰত গুলিয়াই শ্বহীদ কৰি পেলায়। এনেদৰে বাকী লোক সকলকও এজন এজনকৈ মাতি নি শ্বহীদ কৰি দিয়ে। শ্বাহাদত বৰণকাৰী সকলৰ মাজত কোনেও অলপও দুৰ্বলতা প্ৰকাশ কৰা নাছিল আৰু নে আহমদীয়ত অস্বীকাৰ কৰিছিল, কাৰো ঈমান ম্লান পৰা নাছিল। সকলোৱে এজনে আনজনতকৈ প্ৰগাঢ় বিশ্বাস, আনুগত্য আৰু সাহস প্ৰদৰ্শন কৰি আল্লাহ তা'লাৰ সমীপত নিজৰ প্ৰাণ আগবঢ়াই দিয়ে। প্ৰত্যেক জন শ্বহীদক তিনি জাঁই তিনি জাঁই গুলিৰে বিদ্ধ কৰা হৈছিল। শ্বহীদ সকলৰ মাজত দুজন যমজ ভাই আছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে তাজকিৰাতুছ্ শ্বাহাতাঈন পুস্তকত হজৰত চাহাবজাদা আব্দুল লতিফ চাহাব শ্বহীদ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰোঁতে উল্লেখ কৰিছে যে খোদা তা'লাই তাৰ কায়েম মোকাম (সহযোগী)ৰ জন্ম দিব। গতিকে আমি আজি সাক্ষী হ'ব পাৰিছো যে আফ্ৰিকাত বসবাস কৰা সকলে তাৰ দৃষ্টান্ত দেখুৱাইছে। সেই কায়েম মকামৰ সত্ত্বাধীকাৰী হৈ তাৰ হ'ক আদায় কৰি দিছে।

প্ৰায় ডেৰ ঘণ্টা সময় জুৰি উগ্ৰপন্থী সকলে এই মৰ্মান্তিক হত্যাযজ্ঞ চলাইছিল। বাকী সদস্য সকল যি সকলৰ চকুৰ আগত নিজৰ নিজৰ আপোন জনক হত্যা কৰি গৈছিল তেওঁলোকৰ বিগলিত হৃদয়ৰ অৱস্থা এনেয়ে অনুমান কৰিব পৰা যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া শ্বোহাদা সকলৰ জীৱনৰ অৱস্থা সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ব। যাৰ পৰা তেওঁলোকৰ দৃঢ় সংস্থাপিত ঈমান সম্পৰ্কে গম পোৱা যাব।

ইমাম আলহাজ ইব্ৰাহিম বাদগা চাহাব:- ইমাম চাহাব এই অঞ্চলৰ ডাঙৰ ওৱাহাবী ইমাম আছিল। ইমাম চাহাব এজন বিদ্যান লোক আছিল। এই অঞ্চলৰ লোকে তামাশিক কবিলাৰ সৈতে সম্পৰ্কীয় আৰু তামাশিক ভাষাও ভালদৰে জানে। ইমাম চাহাবে আহমদীয়ত গ্ৰহণ কৰাৰ আগতে কেইবাটাও গাঁৱৰ গাও প্ৰধান আছিল। সেই অঞ্চলৰ ডাঙৰ ডাঙৰ উলামা সকলে এইজন ইমাম চাহাবৰ লগত বহিব পাৰিলে নিজকে নিজে গৌৰৱ অনুভৱ কৰিছিল। ১৯৯৮ চনত ডুৰি চহৰত আহমদীয়া মিচন প্ৰতিষ্ঠা হোৱাৰ খবৰ পাই ইমাম চাহাবে লগত আৰু সাতজন মান মানুহ লৈ সেই মিচন হাউচত গৈ উপস্থিত হয় আৰু বহুত অনুসন্ধান কৰি প্ৰমাণ আদি লৈ বুজি মেলি বয়াত কৰে। ভালদৰে বুজি লৈ সত্যক গ্ৰহণ কৰে আৰু কোৰবাণীৰ সৰ্বোচ্চ দৃষ্টান্ত প্ৰতিষ্ঠা কৰে। এখেত নিৰ্ভীক দায়ইলাল্লাহ আৰু অনুপ্ৰাণিত আহমদী আছিল। এখেতৰ প্ৰচেষ্টাতেই সেই অঞ্চলত আহমদীয়ত প্ৰচাৰ লাভ কৰিছিল আৰু কেইবাটাও জামাত প্ৰতিষ্ঠিত হৈছিল। তবলিগ কৰাৰ বৰ হেপাহ আছিল। হত্যাৰ ভাবুকি অহাৰ পিছতও নিজৰ চেষ্টাৰ পৰা বিৰত থকা নাছিল। খিলাফতৰ সৈতেও অসীম আনুগত্যৰ সম্পৰ্ক আছিল। লোকৰ সৈতে বৰ কোমল আচৰণ কৰিছিল আৰু বেলেগৰ বাবে নিজৰ স্বাৰ্থ ত্যাগ কৰাটো তেখেতৰ এটা বিশেষ বৈশিষ্ট আছিল। সেই অঞ্চলৰ লোকে তেখেতক বৰকৈ সন্মান কৰিছিল। ধনমাল কোৰবাণীৰ ক্ষেত্ৰত সকলোৰে আগত নিজে ধনমাল কোৰবাণী কৰিছিল। সকলো ধৰণৰ জামাতি কাৰ্যত মৰহুমে আগে আগে অংশ গ্ৰহণ কৰিছিল।

আলহাচান আগমানাইল চাহাব ঃ- পেশাত এজন খেতিয়ক আছিল। ১৯৯৯ চনত আহমদীয়ত গ্ৰহণ কৰে। বয়াতৰ সময়ৰ পৰাই এখেতে একাগ্ৰতা আৰু আনুগত্যৰ ক্ষেত্ৰত উন্নতি কৰি গৈছিল। নিয়মিত নামাজী আৰু

তাহাজ্জুদগোজাৰ লোক আছিল। জামাতৰ বাবে জান-মাল আৰু সময়ৰ কোৰবাণী তেখেতৰ অসাধাৰণ আছিল।

হুচেনি আগমানি আয়েল চাহাব ঃ-১৯৯৯ চনত বয়াত কৰিছিল। নিজৰ গাঁৱত এখেতে প্ৰথম আহমদী হৈছিল। তেতিয়া এখেতে জইম আনছাৰুল্লাহ হিচাপে খিদমত আগবঢ়াই আছিল। এখেতৰেই যমজ ভাই আলহাচান আগমা পাইয়েল চাহাবও এই মৰ্মান্তিক ঘটনাত শ্বহীদ হৈছে। দুয়োজন ভাই ককাই এদিনেই জগতৰ মুখ দেখিছিল আৰু একে দিনাতেই জগতৰ পৰা বিদায় লৈছে।

হামিদ আগ আব্দুৰ ৰহমান চাহাব ঃ- পেশাত এজন কৃষক আছিল। ১৯৯৯ চনত বয়াত কৰে। সৰল সহজ মন আৰু সজ প্ৰকৃতিৰ লোক আছিল। জামাতৰ কাম কাজত আগশাৰীৰ লোক আছিল। ইমাম চাহাবক সদায় সহায় সহযোগ কৰিছিল।

চুলেহ আগ ইব্ৰাহিম চাহাব ঃ- পেশাত এজন কৃষক আছিল। বাজামাত নামাজৰ ফালে বৰ আগ্ৰহী আছিল আৰু নিয়মিত ভাৱে চান্দা আদায় দিছিল। এখেতে জ্ঞানী লোক আছিল আৰু সদায় ধৰ্মীয় আৰু শিক্ষা সম্পৰ্কে কথা-বতৰা পাতিছিল। এখেত বৰ সজ প্ৰকৃতিৰ লোক আছিল। প্ৰত্যেকৰ সৈতে সজ আচৰণ কৰাটো এখেতৰ স্বভাৱ আছিল।

উচমান আগ ছওদে চাহাব ঃ-এখেতে মাহদীয়াবাদৰ মছজিদ নিৰ্মাণ কাৰ্য্যত বেছি বেছিকৈ অংশ গ্ৰহণ কৰিছিল। নিয়মিত নামাজী আৰু তাহাজ্জুদগোজাৰ লোক আছিল। পেশাত এজন ব্যৱসায়ী আৰু অতিকৈ মুখলিচ লোক আছিল। মৌলৈ দোৱাৰ চিঠি নিয়মিত ভাৱে লিখি থাকিছিল।

আগালি আগমাগোয়েল চাহাব ঃ- নিজৰ দেউতাকৰ সৈতে ১৯৯৯ চনত আহমদীয়ত গ্ৰহণ কৰে। এখেত পেশাত এজন কৃষক আছিল। বৰ মুখলিচ আহমদী আছিল। নামাজ আৰু চান্দাৰ ক্ষেত্ৰত আগবঢ়া আছিল।

মুছা আগ আদ্ৰাহি চাহাব ঃ- পেশাত কৃষক আছিল। নামাজী আৰু নিয়মিত তাহাজ্জুদগোজাৰ লোক আছিল। এখেতে সদায় জিকৰে ইলাহিত মগ্ন থাকিছিল। এয়া এজন মুখলিচ আৰু অনুপ্ৰাণীত আহমদী হোৱাৰ দৃষ্টান্ত হয়। মৌলৈ নিয়মিত ভাৱে দোৱাৰ চিঠি লিখি থাকিছিল।

আগুমা আগ আব্দুৰ ৰহমান চাহাব ঃ- এখেত শ্বহীদ ন জনৰ মাজত বয়সত আটাইতকৈ সৰু আছিল। ১৯৯৯ চনত বিছ বছৰ বয়সত আহমদীয়ত গ্ৰহণ কৰে আৰু দিনক দিনে জামাতৰ সৈতে আনুগত্য আৰু একাগ্ৰতাত আগবাঢ়ি যায়। অতিকৈ মুখলিচ আৰু প্ৰেৰণাময়ী আহমদী আছিল। এখেত উগ্ৰপন্থী সকলক নিৰ্ভীক ভাৱে কৈছিল যে মই উপ ইমাম হওঁ। আঠ জন লোকৰ শ্বহীদ হোৱা নিজ চকুৰে চাইও এখেতে কম বয়সৰ হোৱা সত্ত্বেও বৰ বীৰদৰ্পে উত্তৰ দিছিল যি বাটত এই বুজুৰ্গ সকলে প্ৰাণ বিসৰ্জন দিছে, মইয়ো সেই বাটেৰে কোৰবাণী হ'বলৈ সাজু আছো। নিষ্ঠুৰ উগ্ৰপন্থী সকলে তেখেতৰ মুখ-মণ্ডলত গুলিয়াই শ্বহীদ কৰি দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে শ্বহীদ সকলৰ প্ৰত্যেকৰ নামৰ লগত আগ শব্দ লগোৱা আছে। এই শব্দৰ অৰ্থ ইবনে বুলি লোৱা হয়। যিয়েই নহওঁক এওঁলোক আহমদীয়তৰ উজ্জ্বল তাৰকা হয়। এওঁলোকে ভৱিষ্যতলৈ এক আদৰ্শ এৰি থৈ গ'ল। আল্লাহ তা'লা এওঁলোকৰ ল'ৰা ছোৱালীক ঈমান আৰু বিশ্বাসত উন্নতি দান কৰক। আল্লাহ তা'লা এওঁলোকৰ উত্তৰাধিকাৰী সকলক ধৈৰ্য আৰু সাহস দান কৰক আৰু এওঁলোকৰ বুজুৰ্গ সকলে যি উদ্দেশ্যে নিজৰ প্ৰাণৰ নজৰণা আগবঢ়াইছে, সেয়া এওঁলোকক বুজি পোৱাৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে শ্বোহাদা সকলৰ পৰিয়াল বৰ্গৰ প্ৰয়োজনীয়তা দূৰ কৰিবলৈ আৰু তেওঁলোকক স্বনিৰ্ভৰশীল বনোৱাৰ উদ্দেশ্যে চতুৰ্থ খলিফাৰ দিনত ছৈয়দিনা বিলাল ফাণ্ড প্ৰতিষ্ঠা কৰা হৈছিল।

যাৰ দ্বাৰা শ্বোহাদা সকলৰ পৰিয়ালৰ সাহায্যাৰ্থে খৰচ চলোৱা হয়। যি সকলে শ্বোহাদা সকলৰ পৰিয়াল বৰ্গলৈ দান বৰঙণি দিব বিচাৰে তেওঁলোকে এই ফাণ্ডৰ জৰিয়তে ধন আদায় দিব পাৰিব। এই সকল শ্বোহাদাৰ ওপৰত একো কৃপা নহয় বৰং আমাৰ ভাৰে ফৰজ হ'ল যে আমি তেওঁলোকৰ প্ৰয়োজনৰ প্ৰতি যেন দৃষ্টি ৰাখো আৰু সেয়া পূৰ্ণ কৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ এটা বিবৃতিৰ আলোকত কয় যে উক্ত কোৰবাণী কৰোঁতা সকলে এই পৰীক্ষাত উত্তীৰ্ণ হৈছে। এতিয়া পিছত ৰৈ যোৱা সকলৰহে পৰীক্ষা। আল্লাহ তা'লা আমাক ঈমান আৰু বিশ্বাসৰ ওপৰত অটুট থকাৰ তৌফিক দান কৰক। আল্লাহ তা'লাই উক্ত শ্বহীদ সকলৰ মোকাম আৰু মৰ্যদা উন্নীত কৰি ফলেফুলে জাতিস্কাৰ কৰি তোলক, যাৰ ফলাফল স্বৰূপে আঁহজৰত (ছাঃ)ৰ শিক্ষা জগতত যেন দ্ৰুত গতিত বিস্তাৰ লাভ কৰা দেখিবলৈ পাওঁ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সদৌ শেষত শ্বোহাদা সকলৰ নামাজে জানাজা পঢ়াৰ সৈতে ডক্তৰ কৰিম উল্লাহ জেৰুৱী চাহাব আৰু তেখেতৰ পত্নী মকৰমা আমাতুল লতিফ জেৰুৱী চাহেবা (আমেৰিকা)ৰও নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। মৰহুমিন সকলৰ আত্মাৰ সদগতি কামনা কৰি খোতবাৰ ইতি টানে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা অধিক বৃদ্ধি কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 JANUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

.....................................................................................................................................

.....................................................................................................................................

.....................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**